7969

Form No. Ex- 8

Particulars about the candidate and the subject are **checked thoroughly** and corrected where necessary.

Sl. No.....

CENTRE CODE :.....

Invigilator

Signature of Officer-in-Charge

KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY

Degree 2nd Year Examination, 2014

বিষয় ঃ অসমীয়া (MIL) Paper - 02

নির্বাচিত গদ্যপাঠ আৰু ৰচনা

সময় ঃ ৩ ঘণ্টা মুঠ নম্বৰ ঃ ৮০

Enrolment Number | | | | | | | | | | |

Medium of Answer : | |

Que. No.	Marks
Total	

243

INSTRUCTIONS TO CANDIDATES

1. This booklet contains....24.. Pages numbering....23..Please verify number of pages in the booklet before answering.
2. An Examinee is allowed to bring only Admission Card and Identity Card to the Examination Hall. Any Examinee found in possession of loose papers, books etc. is liable to be Expelled.
3. Enrolment No. and Medium of answer must be written legibly at the specified places. Examinee's name and any other identifying mark which reveals examinees identity shall not be written anywhere in the script.
4. For Making calculations, only the last page provided for rough work shall be used.
5. No pages of the script be torn out .
6. Calculators will not be allowed for making calculations in the examination hall. ***MOBILE PHONES are strictly prohibited in the examination Centre***.
7. No candidate will be allowed to leave or go out of the hall during the First hour of the Examination.
8. A candidate having completed his/her answer, the script must be handed over, to an invigilator before leaving the hall.
9. Contravention of any of the instructions mentioned above shall render a candidate liable for disciplinary action as per regulations of the University.

Examiner's Signature : _____

Examiner's Full Name : _____

Scrutiniser's Signature : _____

Scrutiniser's Full Name : _____

Head Examiner's Signature : _____

১। তলৰ প্ৰশ্নসমূহৰ যিকোনো আঠোটাৰ চমু উত্তৰ লিখক ১×৮ = ৮

(ক) 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' পাঠটোত উল্লেখ থকা 'সপ্ত পাতাল' শব্দটোৰ অৰ্থ কি?

(খ) "মৰাও নানিবা জীয়াও নানিবা সুধা হাতে নপশিবা ঘৰ" —বুলি কোনে কাক আজ্ঞা দিছিল?

(গ) আহোম ডা-ডাঙৰীয়াসকলে কোনজনা স্বৰ্গদেউৰ দিনৰ পৰা জামা, পাগ, ইজাৰ পিন্ধিবলৈ আৰম্ভ কৰিছিল?

(ঘ) বৈষ্ণৱ ধৰ্মৰ চাৰিপুথি বুলিলে কোন কেইখন পুথিক বুজা যায়?

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাক কোনে কেতিয়া 'ৰসৰাজ' উপাধি প্ৰদান কৰিছিল?

(চ) পাটমুগীৰ মাকৰ নাম কি?

(ছ) 'ঢোৰাসাপ' গল্পটো পোনপ্ৰথমে কোনখন আলোচনীত কেতিয়া প্ৰকাশ পাইছিল?

(জ) ৰজনীকান্ত বৰদলৈয়ে লিখা তিনিখন উপন্যাসৰ নাম লিখক।

(ঝ) তলৰ জতুৱা খণ্ডবাক্য দুটাৰ অৰ্থ লিখক—
একা-চেকা, পেটে ভাতে খা

(ঞ)চণ্ডী বৰুৱা ঐতিহাসিক চৰিত্ৰ হয়নে?

২। তলৰ প্ৰশ্নসমূহৰ যিকোনো আঠোটাৰ উত্তৰ লিখক ২×৮ = ১৬
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) "তুমি গুৰু দুহিতৃ, সেৱাৰ বন্দনী"— এই কথাযাৰ কোনে কি প্ৰসংগত কৈছিল বুজাই লিখক।

(খ) বুৰঞ্জীৰ গদ্যৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য দুটা উদাহৰণসহ উল্লেখ কৰক।

(গ) অৰ্থ লিখক— দেওধাই, ইজাৰ, ঁদেৰ, হাবি

(ঘ) বাণীকান্ত কাকতিৰ মতে, 'নামঘোষা' গ্ৰন্থখনত কি কি ভাব বা বিষয়বস্তু মিহলি হৈ আছে?

(ঙ) "বাৎসল্য ৰসৰ উদয়াচলত অবিভূৰ্ত হৈ দাস্য ভাৱৰ অস্তাচলত মাধৱদেৱৰ সাহিত্য প্ৰতিভা মাৰ গৈছে।" কথাযাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰক।

(চ) বেজবৰুৱাৰ গল্পসমূহত দেখা পোৱা দুটা বিশেষ বৈশিষ্ট্যৰ কথা উদাহৰণসহ আলোচনা কৰক।

(ছ) 'ঢোৱাসাপ' গল্পটোৰ নামকৰণৰ যুক্তি-যুক্ততা বিচাৰ কৰক।

(জ) ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহ বিশ্লেষণ কৰিলে চকুত পৰা দুটা বিশেষ বৈশিষ্ট্যৰ কথা উদাহৰণসহ লিখক।

(ঝ) ভাব সংকোচন কৰক—

নিপোটল বুকু, লাটুমণি ওঁঠ
দুয়ো পাৰি দাঁত ডালিম-গুটি,
মৰুময় মোৰ পৃথিৱীত সখী,
তুমি কবিতাৰ একেটি সুঁতি।

(ঞ)ভাব সম্প্ৰসাৰণ কৰক—

'যি মূলা বাঢ়ে তাৰ দুপাততে চিন'

৩। তলৰ প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ উত্তৰ লিখক ৪×৫ = ২০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' পাঠটোৰ আধাৰত মাধৱদেৱৰ গুৰুভক্তি সম্পৰ্কে এটি আলচ যুগুত কৰক।

(খ) 'তুংখুঙীয়া বুৰঞ্জী'ৰ ৰচক শ্ৰীনাথ দুৱৰা বৰুৱাৰ সম্পৰ্কে চমুকৈ লিখক।

(গ) সমালোচক বাণীকান্ত কাকতি সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

(ঘ) 'পাতমুগী' গল্পটোৰ মাজেদি গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱাই সমাজ জীৱনৰ কোনকেইটা দিশত আলোকপাত কৰিছে?

(ঙ) চমুটোকা লিখক—
সুগন্ধী বুটী

(চ) 'মনোমতী' উপন্যাসত হলকান্ত বৰুৱা চৰিত্রটোৰ ভূমিকা কি চমুকৈ লিখক।

(ছ) সৰল অর্থ লিখক—
নাটকৰ সংলাপে চৰিত্রৰ সামাজিক স্তৰ নির্দেশ কৰিও দেখুৱায়। সেইবাবে চৰিত্রৰ স্তৰ বা সামাজিক মর্যাদা অনুসৰি চৰিত্রৰ মুখত সংলাপ দিয়া হয়। শিক্ষিত নগৰীয়া বা অভিজাত শ্রেণীৰ ভাষা অশিক্ষিত বা গ্রামীণ চৰিত্রৰ লগত একে হ'ব নোৱাৰে। জ্যোতিপ্রসাদে তেওঁৰ শোণিত কুঁৱৰী নাটকত নিম্নস্তৰৰ চৰিত্র হিচাপে কুঁজী, গণক আৰু নাপিত চৰিত্রৰ মুখত দিয়া লোকভাষা বা সংলাপৰ পৰাই সেই কথাৰ উমান পাব পাৰি।

৪। তলৰ প্ৰশ্নসমূহৰ যিকোনো দুটাৰ উত্তৰ লিখক ৮×২ = ১৬
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'স্বৰ্গদেও ৰুদ্ৰসিংহ' পাঠটিৰ আধাৰত স্বৰ্গদেও ৰুদ্ৰসিংহৰ ৰাজনৈতিক বিচক্ষণতা সম্পৰ্কে এটি টোকা লিখক।

(খ) চৰিত পুথিৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

(গ) ৰচনা লিখক — বিশ্বকাপ ফুটবল-২০১৪

৫। তলৰ প্ৰশ্নসমূহৰ যিকোনো দুটাৰ উত্তৰ লিখক ১০×২ = ২০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৪০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'ঢোৱাসাপ' গল্পটোৰ মাজেদি গল্পকাৰে প্ৰকাশ কৰিব বিচৰা মূল বক্তব্যৰ বিষয়ে আলোচনা আগবঢ়াওক।

(খ) 'নামঘোষা' প্ৰবন্ধটোৰ আধাৰত 'নামঘোষা' গ্ৰন্থখনৰ ৰস বিচাৰ কৰক।

(গ) 'মনোমতী' উপন্যাসখনৰ নাৰী চৰিত্ৰসমূহৰ বিষয়ে বহলাই আলোচনা কৰক।